NEWZ NOW

সংখ্যা ২৩ | সোমবাৰ, ১৬ নৱেম্বৰ ২০২৬ | অসমৰ ডিজিটেল বাতৰি কাকত

অসম

বিভিন্ন সমস্যা সমাধানৰ দাবীৰে মুখ্যমন্ত্রীক আজমলৰ সাক্ষাৎ

উচ্ছেদ অভিযান স্থগিত, উচ্ছেদিত পৰিয়ালৰ পুনৰসংস্থাপন আৰু ভূমিৰ অধিকাৰ সুৰক্ষাৰ দাবীৰে মুখ্যমন্ত্রীক স্মাৰকপত্ৰ প্ৰদান কৰে বদৰুদ্দিন আজমলে।



শ্বাহ আলম | ১৬ নৱেম্বৰ ২০২৬, নিশা ৮:২০

দিছপুৰ, ১৬ নৱেম্বৰ: এআইইউডিএফৰ সভাপতি তথা ধুবুৰীৰ প্ৰাক্তন সাংসদ বদৰুদ্দিন আজমলে অসমৰ মুখ্যমন্ত্রী হিমন্ত বিশ্ব শৰ্মাক সাক্ষাৎ কৰি বিভিন্ন গুৰুত্বপূৰ্ণ বিষয় উত্থাপন কৰে। এই সময়ত তেওঁৰ লগত দলগাঁও বিধানসভা সমষ্টিৰ বিধায়ক মজিবুৰ ৰহমান উপস্থিত থাকে।

সাক্ষাৎকালত ৰাজ্যৰ বিভিন্ন প্ৰান্তত চলি থকা উচ্ছেদ অভিযান, উচ্ছেদিত পৰিয়ালৰ পুনৰসংস্থাপন, গৰাখহনীয়াগ্ৰস্ত আৰু ভূমিহীন লোকৰ ভূমিৰ অধিকাৰ তথা গোৱালপাৰা জিলাৰ প্ৰস্তাৱিত ঔদ্যোগিক এলেকাক কেন্দ্ৰ কৰি সৃষ্টি হোৱা উদ্বেগৰ বিষয়সমূহ মুখ্যমন্ত্রীৰ সন্মুখত উত্থাপন কৰা হয়।

সম্পূৰ্ণ খবৰ:
https://newznow.in/news/3655

দেশ

কি পালে ৰাহুল গান্ধীৰ ফোন টেপিংত? টেপিঙৰ অভিযোগক লৈ ৰাহুলক ৰবি কিষাণৰ কটাক্ষ



১৬ নৱেম্বৰ: 'আলুৰ পৰা সোন কেনেকৈ বনাব পাৰি সেইটো জানিবলৈহে ৰাহুল গান্ধীৰ ফোন টেপিং কৰিছে।

পঢ়ক: https://newznow.in/news/3592

অসম

ভয়ংকৰ পথ দুৰ্ঘটনাত পতিত জোৰোণ দিবলৈ যোৱা বিবাহযাত্ৰী বাহন ,আঘাতপ্ৰাপ্ত ২১ জনকৈ লোক



বৰহাট, ১৬ নৱেম্বৰ: ৰঙাজান ট্ৰেজেডীৰ চাঞ্চল্য মাৰ নোযাওতেই এইবাৰ আন এক শোকাবহ দুৰ্ঘটনাতপতিত বিবাহযাত্ৰীৰ বাহন

পঢ়ক: https://newznow.in/news/3588

অসম

কাজিৰঙাৰ ৰঙাজান দুৰ্ঘটনা: গোলাঘাটৰ ৬ পৰিবহণ বিষয়া নিলম্বিত



কাজিৰঙাৰ সমীপৰ ৰঙাজানত সংঘটিত ভয়ংকৰ পথ দুৰ্ঘটনাত ২৬জনৰ মৃত্যু হোৱাৰ পাছত গোলাঘাট জিলাৰ পৰিবহণ বিভাগৰ ছয়জন বিষয়াক নিলম...

পঢ়ক: https://newznow.in/news/3577

অসম

পুনৰ বৃদ্ধি গাখীৰৰ মূল্য! খুচুৰা মূল্য লিটাৰত ২ টকা ৮০ পইচা বৃদ্ধি



গুৱাহাটী, ১৬ নৱেম্বৰ: গুৱাহাটীত পুনৰ বৃদ্ধি গাখীৰৰ দাম, প্ৰতিলিটাৰত ২.৮০ টকা পৰ্যন্ত বাঢ়িল মূল্য।

পঢ়ক: https://newznow.in/news/3578

ভিতৰৰ পাতত

দেশ: সামৰিক গুপ্তচৰবৃত্তিত হনী ট্ৰেপ মা...

অসম: আছুৱে এতিয়া ইমান গুৰুত্ব পোৱা উচি...

অসম: পিকনিকলৈ যোৱাৰ পূৰ্বে ল'ব লাগিব প্...

অসম: ১০ ডিচেম্বৰ আগতেই পৰিশোধ কৰক অনাদা...

দেশ

সামৰিক গুপ্তচৰবৃত্তিত হনী ট্ৰেপ মাত্ৰ এটা দিশ: বায়ুসেনা প্ৰধান

NewzNow ডেস্ক | ১৬ নৱেম্বৰ ২০২৬, আবেলি ৪:৫৮



ভাৰতৰ সামৰিক প্ৰতিষ্ঠানসমূহক লক্ষ্য কৰি চলোৱা গুপ্তচৰবৃত্তিৰ ক্ষেত্ৰত হনী ট্ৰেপ কেৱল এটা কৌশলহে বুলি মন্তব্য কৰিছে বায়ুসেনা প্ৰধান এয়াৰ চীফ মাৰ্শাল অশুতোষ দীক্ষিতে। সামাজিক মাধ্যমত প্ৰেমৰ জাল পেলোৱা বা ব্যক্তিগত প্ৰলোভনৰ উপৰি জালিয়াতিৰ জাল, আৰ্থিক ফান্দ আৰু ভিতৰুৱা লোকক ব্যৱহাৰ কৰিও সংবেদনশীল তথ্য আহৰণৰ চেষ্টা চলিব পাৰে বুলি তেওঁ সতৰ্ক কৰি দিয়ে।


দিল্লীত অনুষ্ঠিত এখন ৰাষ্ট্ৰীয় নিৰাপত্তা সম্মিলনত প্ৰতিৰক্ষা উদ্যোগসমূহো হনী ট্ৰেপৰ লক্ষ্য হ'ব পাৰে নেকি আৰু এনে বিপদৰ মোকাবিলা কেনেদৰে কৰা হয়, সেই সন্দৰ্ভত সোধা প্ৰশ্নৰ উত্তৰত বায়ুসেনা প্ৰধানগৰাকীয়ে এই মন্তব্য কৰে।

বাকী অংশ ৱেবছাইটত
সম্পূৰ্ণ খবৰ:
https://newznow.in/news/3615

অসম

আছুৰে এতিয়া ইমান গুৰুত্ব পোৱা উচিত নহয়ঃ ড° হীৰেন গোহাঁই

NewzNow ডেস্ক | ১৬ নৱেম্বৰ ২০২৬, দুপৰীয়া ২:৩৪



গুৱাহাটী, ১৬ নৱেম্বৰ: সদৌ অসম ছাত্ৰ সন্থা চমুকৈ আছুৰ শহতীয়া ভূমিকা আৰু প্ৰাসংগিকতাক লৈ তীব্ৰ সমালোচনা কৰিছে বিশিষ্ট বুদ্ধিজীৱী ড° হীৰেন গোহাঁইয়ে। ভোটাৰ তালিকাৰ বিশেষ সংশোধন প্ৰক্ৰিয়া এছআইআৰ বিচাৰ বিষয়টোক কেন্দ্ৰ কৰি আছুৰ স্থিতিক লৈ প্ৰতিক্ৰিয়া প্ৰকাশ কৰি তেওঁ কয়, আছুৱে এতিয়া ইমান গুৰুত্ব পোৱা উচিত নহয়।

SIR (Special Intensive Revision) বিতৰ্ক: ভোটাৰ তালিকাৰ বিশেষ সংশোধনী বা SIR প্ৰক্ৰিয়াক লৈ আছুৰ সভাপতি উৎপল শৰ্মাই লোৱা স্থিতিক ড° গোহাঁইয়ে তীব্ৰ সমালোচনা কৰিছে।

বাকী অংশ ৱেবছাইটত
সম্পূৰ্ণ খবৰ:
https://newznow.in/news/3560

অসম

পিকনিকলৈ যোৱাৰ পূৰ্বে ল'ব লাগিব প্ৰশাসনৰ আগতীয়া অনুমতি, অনুমতিৰ খোলা হ'ব পৰ্টেল

NewzNow ডেস্ক | ১৬ নৱেম্বৰ ২০২৬, আবেলি ৫:৩৭



১৬ নৱেম্বৰ, গুৱাহাটী :

পিকনিকৰ বতৰৰ পূৰ্বে পথ দুৰ্ঘটনা ৰোধ আৰু সুৰক্ষা নিশ্চিত কৰাৰ বাবে অসম চৰকাৰৰ পৰিবহণ বিভাগে কঠোৰ নিৰ্দেশনা জাৰি কৰিবলৈ সাজু হৈছে।

বাকী অংশ ৱেবছাইটত
সম্পূৰ্ণ খবৰ:
https://newznow.in/news/3625

অসম

১০ ডিচেম্বৰ আগতেই পৰিশোধ কৰক অনাদায় কৰ, অন্যথা ভৰিব লগা হ'ব পাৰে জৰিমনা-ঘোষণা মেয়ৰ মৃগেণ শৰণীয়াৰ

NewzNow ডেস্ক | ১৬ নৱেম্বৰ ২০২৬, দুপৰীয়া ১২:৩৪



গুৱাহাটী, ১৬ নৱেম্বৰ: ১০ ডিচেম্বৰ আগতেই পৰিশোধ কৰক অনাদায় কৰ, অন্যথা ভৰিব লগা হ'ব পাৰে জৰিমনা-ঘোষণা মেয়ৰ মৃগেণ শৰণীয়াৰ ।

বাকী অংশ ৱেবছাইটত
সম্পূৰ্ণ খবৰ:
https://newznow.in/news/3537

দেশ

পশ্চিমবংগত পুনৰ এনকাউণ্টাৰ, আৰক্ষীৰ গুলীত নিহত ৰতন শ্বেখ

NewzNow ডেস্ক | ১৫ নৱেম্বৰ ২০২৬, নিশা ৮:৫৫



বীৰভূম, ১৫ নৱেম্বৰ: পশ্চিমবংগৰ বীৰভূম জিলাত আৰক্ষীৰ গুলীত ৰতন শ্বেখ নামৰ এজন লোক নিহত হৈছে। দেওবাৰে সন্ধিয়া সংঘটিত এই ঘটনাক ৰাজ্যখনত শেহতীয়াকৈ সংঘটিত পঞ্চমটো এনকাউণ্টাৰৰ ঘটনা বুলি দাবী কৰা হৈছে।

শুকুৰবাৰে বীৰভূমত ৰতন শ্বেখক গ্ৰেপ্তাৰ কৰিবলৈ যাওঁতে শান্তিনিকেতন আৰক্ষী থানাৰ এজন কনিষ্টেবলৰ ভৰিত গুলী লাগিছিল। আৰক্ষীৰ দাবী অনুসৰি, সেই সময়ত ৰতন শ্বেখে আৰক্ষীৰ দললৈ লক্ষ্য কৰি গুলীচালনা কৰি ঘটনাস্থলীৰ পৰা পলায়ন কৰিছিল।

গোপন সূত্ৰৰ তথ্যৰ ভিত্তিত বীৰভূম আৰক্ষীয়ে পিছত ৰতন শ্বেখক গ্ৰেপ্তাৰ কৰে।

বাকী অংশ ৱেবছাইটত
সম্পূৰ্ণ খবৰ:
https://newznow.in/news/3447

অসম

কাজিৰঙাৰ দুৰ্ঘটনাত মৃতকৰ পৰিয়াললৈ আজমল ফাউণ্ডেশ্যনৰ ১ লাখ টকাকৈ সাহায্য

NewzNow ডেস্ক | ১৬ নৱেম্বৰ ২০২৬, দুপৰীয়া ১:০৪



অসম, ১৬ নৱেম্বৰ: ৰাজ্যত সংঘটিত শেহতীয়া ভয়ংকৰ পথ দুৰ্ঘটনাত প্ৰাণ হেৰুওৱা প্ৰতিগৰাকী লোকৰ পৰিয়াললৈ ১ লাখ টকাকৈ আৰ্থিক সাহায্য আগবঢ়োৱাৰ সিদ্ধান্ত গ্ৰহণ কৰিছে আজমল ফাউণ্ডেশ্যনে।

প্ৰতিটো পৰিয়ালৰ বিপৰীতে নহয়, দুৰ্ঘটনাত মৃত্যু হোৱা প্ৰতিগৰাকী ব্যক্তিৰ নামত ১ লাখ টকাকৈ সাহায্য প্ৰদান কৰা হ'ব বুলি ফাউণ্ডেশ্যনটোৱে ঘোষণা কৰিছে।

দুৰ্ঘটনাটোক লৈ গভীৰ শোক প্ৰকাশ কৰি আজমল ফাউণ্ডেশ্যনৰ সৈতে জড়িত এগৰাকী প্ৰতিনিধিয়ে কয় যে, এই ঘটনাত ২৬জনতকৈ অধিক লোকৰ মৃত্যু হৈছে বুলি তেওঁ জানিব পাৰিছে।

বাকী অংশ ৱেবছাইটত
সম্পূৰ্ণ খবৰ:
https://newznow.in/news/3547

অসম

পথ দু*ঘটনাক লৈ পুনৰ কঠোৰ মুখ্যমন্ত্ৰী !ভুল কৰিলেই হ'ব কঠোৰ শাস্তি, বান্ধি দিলে কেইবাটাও নিৰ্দেশনা

NewzNow ডেস্ক | ১৬ নৱেম্বৰ ২০২৬, দুপৰীয়া ১:৪১




অসম, ১৬ নৱেম্বৰ, ২০২৬: ৰাজ্যত পথ দুৰ্ঘটনা ৰোধ আৰু পথ সুৰক্ষা নিশ্চিত কৰাৰ লক্ষ্যৰে কেইবাটাও গুৰুত্বপূৰ্ণ পদক্ষেপৰ ওপৰত গুৰুত্ব আৰোপ কৰা হৈছে।

বাকী অংশ ৱেবছাইটত
সম্পূৰ্ণ খবৰ:
https://newznow.in/news/3551

দেশ

ইণ্ডিগোৰ কৰ্মচাৰীৰ ৰক্তাক্ত দেহ কেনেকৈ পালেগৈ মহাৰাষ্ট্ৰৰ জঙ্গল!

NewzNow ডেস্ক | ১৬ নৱেম্বৰ ২০২৬, আবেলি ৫:৫৩



গোন্দিয়া: মহাৰাষ্ট্ৰৰ গোন্দিয়া জিলাৰ বন্দ্ৰানী জংঘলত ৰক্তাক্ত অৱস্থাত ইণ্ডিগোৰ কৰ্মচাৰী বৰ্ষা ঠাকুৰৰ মৃতদেহ উদ্ধাৰ হৈছে। ৩৫ বছৰীয়া বৰ্ষা পুনে বিমানবন্দৰত ইণ্ডিগোৰ টিকট কাউণ্টাৰত কৰ্মৰত আছিল।

বাকী অংশ ৱেবছাইটত
সম্পূৰ্ণ খবৰ:
https://newznow.in/news/3629

অসম

'দেশৰ প্ৰধানমন্ত্ৰীয়ে তেল কমকৈ খাই' 'ময়ো তেল কমকৈ খাওঁ, পাৰিলে আপোনালোকেও তেল কমকৈ খাওক '

NewzNow ডেস্ক | ১৬ নৱেম্বৰ ২০২৬, আবেলি ৫:৩০



আপোনালোকে তেল কমকৈ খাওক !'দেশৰ প্ৰধানমন্ত্ৰীয়ে তেল কমকৈ খাই' 'ময়ো তেল কমকৈ খাওঁ, পাৰিলে আপোনালোকেও তেল কমকৈ খাওক '- পীয়ূষ হাজৰিকাৰ আহ্বান

'ভাৰত চৰকাৰে খোৱাতেলৰ নামত প্ৰতি বছৰে

২.৫০ লাখ কোটি টকা খৰচ কৰে'

পীয়ূষ হাজৰিকা

খোৱাতেলৰ ব্যৱহাৰ কমাবলৈ ৰাইজক আহ্বান জনাইছে অসমৰ কৃষিমন্ত্ৰী পীয়ূষ হাজৰিকাই। তেওঁ কয়, দেশৰ প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়েও তেল কমকৈ খায় আৰু তেখেতেও তেল কমকৈ খায়। সম্ভৱ হ'লে আনসকলেও তেল কমকৈ খাব লাগে। মন্ত্ৰীগৰাকীয়ে কয় যে, ভাৰত চৰকাৰে খোৱাতেলৰ নামত প্ৰতি বছৰে প্ৰায় ২.৫০ লাখ কোটি টকা ব্যয় কৰে।

বাকী অংশ ৰেবছাইটত
সম্পূৰ্ণ খবৰ:
https://newznow.in/news/3621

অসম

মহানগৰীৰ দাতালপাৰাত টায়াৰৰ গুদামত ভয়ংকৰ অগ্নিকাণ্ড

NewzNow ডেস্ক | ১৬ নৱেম্বৰ ২০২৬, আবেলি ৫:৫৬



গুৱাহাটী, ১৬ নৱেম্বৰ:

গুৱাহাটী মহানগৰীৰ দাতালপাৰাত থকা এম ডি (MD) টায়াৰৰ এটা গুদামত আজি এক ভয়ংকৰ অগ্নিকাণ্ড সংঘটিত হৈছে। জুইৰ তীব্ৰতা ইমানেই বেছি আছিল যে মুহূৰ্তৰ ভিতৰতে গুদামটোৰ চৌদিশে ক'লা ধোঁৱা আৰু জুইৰ লেলিহান শিখাই আগুৰি ধৰে মুহূৰ্তৰ ভিতৰতে ভয়ংকৰ ৰূপ ধাৰণ কৰে।

জুইৰ লেলিহান শিখা আৰু ক'লা ধোঁৱাই সমগ্ৰ গুদামটো আগুৰি ধৰে। অগ্নিকাণ্ডত গুদামটোত মজুত থকা কেইবা লাখ টকা মূল্যৰ টায়াৰ ভস্মীভূত হোৱা বুলি জানিব পৰা গৈছে।

ঘটনাৰ মূল তথ্যসমূহ :

গুদামটোত মজুত থকা কেইবা লাখ টকা মূল্যৰ টায়াৰ জুইত সম্পূৰ্ণৰূপে ভস্মীভূত হৈছে।

বাকী অংশ ৰেবছাইটত
সম্পূৰ্ণ খবৰ:
https://newznow.in/news/3633

এই সংখ্যাত

১ বিভিন্ন সমস্যা সমাধানৰ দাবীৰে মুখ্যমন্ত্ৰীক আজমলৰ সাক্ষাৎ
১ কি পালে ৰাহুল গান্ধীৰ ফোন টেপিংত? টেপিঙৰ অভিযোগক লৈ ৰাহুলক ৰবি কিষাণৰ কটাক্ষ
১ ভয়ংকৰ পথ দুৰ্ঘটনাত পতিত জোৰোণ দিবলৈ যোৱা বিবাহযাত্ৰী বাহন ,আঘাতপ্ৰাপ্ত ২১ জনকৈ লোক
১ কাজিৰঙাৰ ৰঙাজান দুৰ্ঘটনা: গোলাঘাটৰ ৬ পৰিবহণ বিষয়া নিলম্বিত
১ পুনৰ বৃদ্ধি গাখীৰৰ মূল্য! খুচুৰা মূল্য লিটাৰত ২ টকা ৮০ পইচা বৃদ্ধি

আৰু ১০টা খবৰ ভিতৰৰ পাততে

NewzNow ই-কাকত: প্ৰতিদিনে সন্ধিয়া newznow.in/epaper-ত। প্ৰতিটো খবৰৰ সম্পূৰ্ণ বিৱৰণ, ভিডিঅ' আৰু আপডেট newznow.in-ত পঢ়ক।
খবৰ শুনক: newznow.in/listen